# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-12-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**:::::::::::::::::::::::::::::::**

ৰাজ্য চৰকাৰে অৰুণোদয় আঁচনিৰ সুবিধা লাভ কৰা ৬৮২ গৰাকী চৰকাৰী কৰ্মচাৰীৰ বিৰুদ্ধে শীঘ্ৰেই কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব। ডিব্ৰুগড়ৰ অসম সচিবালয়ত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকত ২০২৫ বৰ্ষতো কিতাপৰ দিৱস হিচাপে পালনৰ সিদ্ধান্তও গ্ৰহণ কৰা হয়। তদুপৰি ফৰেষ্ট ভিলেজৰ গাঁওবুঢ়ালৈ ৯ হাজাৰ টকাকৈ পাৰিতোষিক প্ৰদানৰ ক্ষেত্ৰত মন্ত্ৰীসভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই সিদ্ধান্তসমূহ অহা ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

বৈঠকখনত পৰিবহন মন্ত্ৰী যোগেন মহন, উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰা, শক্তিমন্ত্ৰী প্ৰশান্ত ফুকন আৰু শ্ৰমিক কল্যাণ মন্ত্ৰী ৰূপেশ গোৱালাৰ লগতে কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থকাৰ লগতে গুৱাহাটী আৰু আন জিলা সদৰত থকা মন্ত্ৰীসভাৰ সদস্যসকলে ভাৰ্চুৱেল ব্যৱস্থাৰে বৈঠকত অংশ লয়।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ত বিকাশৰ ১২ দিন কাৰ্যসূচীত অংশ লোৱাৰ লগতে জিলাখনৰ কেইবাটাও প্ৰকল্পৰ অগ্ৰগতিৰ বুজ লয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে ৰাজ্যৰ সামগ্ৰিক বিকাশ আৰু কল্যাণৰ লক্ষ্যৰে যোৱা ১১ ডিচেম্বৰত আৰম্ভ কৰা এই বিকাশৰ ১২ দিন ৰাজ্যবাসীৰ বাবে উৎসৰ্গা কৰা হৈছিল। এই সময়ছোৱাত ২০ লাখ লোকক নতুনকৈ ৰেচন কাৰ্ড বিতৰণ কৰাৰ লগতে ৪৮ হাজাৰ ৬৭৩ গৰাকী শিক্ষাৰ্থীক ড° বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত স্কুটি প্ৰদান কৰা হয় বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ৰাষ্ট্ৰীয় শিক্ষানীতিৰ অধীনত প্ৰত্যেক ৫ কিলোমিটাৰ দূৰত্বত একোখনকৈ হাইস্কুল থাকিব লাগে বুলি উল্লেখ কৰি ড° শৰ্মাই কয়, যে সেই উদ্দেশ্যৰে চৰকাৰে নৱম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলক চাইকেল প্ৰদান কৰিছে। শৈক্ষিক উন্নয়নৰ বাবে চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহত আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে বৰ্তমান মেধা আৰু স্বচ্ছতাৰ ভিত্তিত চাকৰি লাভ কৰাৰ বাবে এটা নতুন মাত্ৰা গঢ়ি তোলা হৈছে। তেওঁ কয়, যে ৰাজ্যত এতিয়াৰ দৰে উন্নয়নৰ ধাৰা অব্যাহত থাকিলে যুৱক-যুৱতীসকলৰ কৰ্মসংস্থাপনৰ বাবে নতুন নতুন উদ্যোগ স্থাপন কৰা হ'ব।

এই অনুষ্ঠানৰ পাছত মুখ্যমন্ত্ৰীয়ে ডিব্ৰুগড়ত নিৰ্মীয়মান খনিকৰ ষ্টেডিয়াম পৰিদৰ্শন কৰি কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। অত্যাধুনিক সা-সুবিধাযুক্ত এই ষ্টেডিয়ামখনৰ জৰিয়তে জিলাখনৰ ক্ৰীড়া প্ৰতিভাসমূহক আগবঢ়াই নিব পৰা যাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে আজি জিলাখনৰ প্ৰস্তাৱিত পুলিচ

ৰিজাৰ্ভৰ স্থান পৰিদৰ্শন কৰাৰ লগতে চৌকিদিঙিত নিৰ্মীয়মান ভাৰতীয় জনতা পাৰ্টীৰ ডিব্ৰুগড় জিলা কাৰ্যালয় ভৱনো পৰিদৰ্শন কৰে। ০০০

০০০০০

বিশিষ্ট চলচ্চিত্ৰ পৰিচালক শ্যাম বেনেগালৰ আজি সন্ধিয়া মুম্বাইৰ এখন হস্পিতালত দেহাৱসান ঘটিছে। দীৰ্ঘদিন ধৰি বৃক্কজনিত ৰোগত ভুগি থকা চলচ্চিত্ৰ নিৰ্মাতাগৰাকীয়ে যোৱা ১৪ ডিচেম্বৰত ৯০ বছৰ সম্পূৰ্ণ কৰিছিল। সপ্তম আৰু অষ্টম দশকত নিউ ৱেভ চিনেমাৰে হিন্দী ছবি জগতত নতুন ধাৰাৰ সৃষ্টি কৰা শ্যাম বেনেগালৰ উল্লেখযোগ্য ছবিৰ ভিতৰত অন্যতম হৈছে **অংকুৰ, মান্দি, মন্থন, চৰ্দাৰী বেগম, জুবেইদা** ইত্যাদি। শেহতীয়াকৈ তেওঁ ভাৰত আৰু বাংলাদেশৰ যৌথ উদ্যোগত **মুজিব্দঃ দ্যা মেকিং অৱ এ নেচন** নামৰ হিন্দী আৰু বাংলা দ্বিবাষিক ছবি নিৰ্মাণ কৰিছিল। দূৰদৰ্শনৰ হৈও তেওঁ ভাৰত  এক খোজ আদি বহু জনপ্ৰিয় ধাৰাবাহিক নিৰ্মাণ কৰিছিল। ১৯৭৬ চনত তেওঁ পদ্মশ্ৰী আৰু ১৯৯১ চনত তেওঁ পদ্ম ভূষণ সন্মানেৰে সন্মানিত কৰা হৈছিল।

০০০০০

খিলঞ্জীয়া লোকৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত অহা ৩১ ডিচেম্বৰৰ ভিতৰত আবেদন দাখিল কৰিবলৈ জনসাধাৰণৰ প্ৰতি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই পুনৰ আহ্বান জনাইছে। দিশপুৰত আজি বিয়লি অনুষ্ঠিত এখন সংবাদমেলত মন্ত্ৰীগৰাকীয়ে কয়, যে ভূমি, ৰাজহ, প্ৰশাসন ব্যৱস্থাৰ বহুখিনি সংস্কাৰ সাধনেৰে চৰকাৰে  মিছন বসুন্ধৰাৰ তিনিটা পৰ্যায় ৰূপায়ণ কৰি জনসাধাৰণক সহজতে নিজৰ ভূমি অধিকাৰ লাভ কৰাৰ সুযোগ দিছে। জনসাধাৰণৰ লগতে  শিক্ষানুষ্ঠান, ধৰ্মীয় অনুষ্ঠান, সামাজিক-সাংস্কৃতিক অনুষ্ঠানসমূহকো সেৱা সেঁতু পোৰ্টেলৰ জৰিয়তে নিৰ্ধাৰিত সময়ৰ ভিতৰত আবেদন দাখিল কৰিবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়।

০০০০০

নগাওঁ চহৰৰ নেহৰুবালিত যোৱা ১৭ ডিচেম্বৰৰ পৰা অনুষ্ঠিত নগাওঁ গ্ৰন্থমেলাত আজি বিয়লি সাহিত্যচাৰ্য্য মহিম বৰা, ঔপন্যাসিক ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আৰু ইতিহাসবিদ ড° অমলেন্দু গুহৰ জন্ম শতবৰ্ষ উপলক্ষে এটা শ্ৰদ্ধাৰ্ঘ অনুষ্ঠানৰ আয়োজন কৰা হয়।  অনুষ্ঠানত বিশিষ্ট সাহিত্য সমালোচক প্ৰভাত বৰা, সাহিত্যিক ড° আনন্দ বৰমুদৈ আৰু অধ্যাপক ড° পৰমানন্দ মজুমদাৰে তিনিওগৰাকী মহীৰূহৰ সৃষ্টি আৰু জীৱন দৰ্শন সন্দৰ্ভত আলোকপাত কৰি বক্তৃতা প্ৰদান কৰে। এই অনুষ্ঠানৰ শেষত আটাইকেইগৰাকী বক্তাই উপস্থিত লোকসকলৰ সৈতে মত বিনিময় কৰে।

০০০০০

সমাপ্ত